অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

কৰ্ম মোৰ সংস্কৃতি

☎: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ : অজাবি/০০৯/২৩/২০২৩-
*Ref* : ২৪

তাৰিখ : ০২-১২-২০২৩
*Date* :

# অসম জাতীয় বিদ্যালয়ত 'অসম দিৱস' পালন

**নুনমাটি, গুৱাহাটী, ২ ডিচেম্বৰ ঃ** বৰ অসমৰ অন্যতম খনিকৰ স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ পৱিত্ৰ স্মৃতিত আজি ২ ডিচেম্বৰ তাৰিখ, শনিবাৰে অসম জাতীয় বিদ্যালয়ত 'অসম দিৱস' পালন কৰা হয়। পুৱাৰ সমাবেশত অসম সংগীত গোৱাৰ পাছতেই চাওলুং চ্যুকাফাৰ প্ৰতিচ্ছবিত বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে বন্তি প্ৰজ্বলন কৰাৰ লগে লগে শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীসকলে শ্ৰদ্ধাঞ্জলি জনায়। পুৱাৰ সমাবেশৰ থলীত অষ্টম শ্ৰেণীৰ শিক্ষাৰ্থী উদীপ্তা বৰদলৈয়ে 'আজিৰ বিষয়বস্তু' সন্দৰ্ভত চ্যুকাফাৰ বিষয়ে কয়। বিদ্যালয়ৰ সমাজ বিজ্ঞান বিভাগৰ শিক্ষক নবজিৎ বৰুৱাই 'অসম দিৱস'ৰ তাৎপৰ্য্য ব্যাখ্যাত চাওলুং চ্যুকাফাৰ ব্যক্তিত্বৰ পৰা অনুকৰণ কৰিবলগীয়া কেতবোৰ দিশ সম্পৰ্কে সাৱলীলভাৱে কয়। লগতে তেওঁ বৰ্তমান সময়ত 'অসম দিৱস'ৰ প্ৰাসংগিকতা সম্পৰ্কেও আলোকপাত কৰে। অনুষ্ঠানৰ সামৰণিত বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে চাওলুং চ্যুকাফাৰ কৰ্মোদ্যম তথা অদম্য সাহসৰ বিষয়ে শিক্ষাৰ্থীসকলক অৱগত কৰে। উল্লেখযোগ্য যে বিদ্যালয় বন্ধ দিয়াৰ পৰিৱৰ্তে বিদ্যালয়ৰ নিয়মীয়া কাৰ্য্যসূচীৰ লগতে চাওলুং চ্যুকাফাৰ পৱিত্ৰ স্মৃতিত অসম দিৱস উদ্‌যাপন কৰা হয়।

ঘনশ্যাম মেধি
(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়